# ২০২৫-২০২৬ বৰ্ষৰ বেডমিন্টন শাখাৰ সম্পাদকীয় প্ৰতিবেদন

নগাওঁ ক্ৰীড়া সংস্থাৰ মাননীয় সভাপতি মহোদয়, মাননীয় সাধাৰণ সম্পাদক মহোদয় প্ৰমূখ্যে সকলো বিষয়বৰীয়া আৰু সদনৰ সকলো সদস্যলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি নগাওঁ ক্ৰীড়া সংস্থাৰ বেডমিন্টন শাখা সম্পাদক হিচাপে ২০২৫-২০২৬ বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন আপোনালোকৰ আগত দাঙি ধৰিলো।

নগাওঁ ক্ৰীড়া সংস্থাৰ বেডমিন্টন প্ৰশিক্ষণত বৰ্তমান প্ৰায় ১৩০ জন (উভয় শাখা) খেলুৱৈয়ে দৈনিক অনুশীলন কৰি আছে আৰু তেওঁলোকক প্ৰশিক্ষণ প্ৰদান কৰি আছে শ্ৰীৰাজশেখৰ দাস আৰু শ্ৰীদেৱজিত বৰাই। লগতে ৩৫ জন ভেটাৰ্ন খেলুৱৈয়ে দৈনিক অনুশীলন কৰি আছে।

এই বৰ্ষত নগাওঁ ক্ৰীড়া সংস্থাৰ উদ্যোগত আয়োজন কৰা ৫ম বজৰংলাল নাহাতা সোঁৱৰণী ক্ৰীড়া সপ্তাহৰ বেডমিন্টন লীগত নগাঁও ক্ৰীড়া সংস্থাৰ পঞ্জীয়ণভূক্ত ১৮ টা ক্লাবে অংশগ্ৰহণ কৰে আৰু প্ৰথম স্থান লাভ কৰে ৰেডিয়েন্ট স্প'ৰ্টছ ক্লাব, দ্বিতীয় স্থান লাভ কৰে নগাঁও টাউন ক্লাব আৰু তৃতীয় স্থান লাভ কৰে অম্লান গোষ্ঠীয়ে।

এই বৰ্ষত লখিমপুৰত অনুষ্ঠিত হোৱা প্ৰথমখন ৰেংকিঙ প্ৰতিযোগিতাত সুজল নেওগে ১৩ বছৰ অনুৰ্দ্ধত একক আৰু দ্বৈত শাখাত ছেমিফাইনেললৈকে খেলে আৰু লগতে ১১ আৰু ১৫ বছৰ অনুৰ্দ্ধৰ খেলুৱৈসকলেও এই প্ৰতিযোগিতাত সুন্দৰ খেল প্ৰদৰ্শন কৰে।

তেজপুৰত অনুষ্ঠিত হোৱা YONEX-SUNRISE দ্বিতীয় সদৌ অসম ৰেংকিঙ বেডমিন্টন প্ৰতিযোগিতাত ১৩ বছৰ অনুৰ্দ্ধত একক শাখাত তৃতীয় স্থান লাভ কৰে আৰু ছেমিফাইনেলৰ দ্বৈত শাখাত পৰাস্ত হয় লগতে ১১ আৰু ১৫ বছৰ অনুৰ্দ্ধৰ খেলুৱৈসকলেও সুন্দৰ প্ৰদৰ্শন আগবঢ়াবলৈ সক্ষম হয়।

এই বৰ্ষতেই নগাঁও ক্ৰীড়া সংস্থাৰ দ্বাৰা আয়োজিত হৰিপদ কুমাৰ সোঁৱৰণী তৃতীয় সদৌ অসম ৰেংকিং বেডমিন্টন প্ৰতিযোগিতাত ৯ বছৰ অনুৰ্দ্ধৰ ছোৱালী হৰ্ষিতা বৰাই সুন্দৰ খেল প্ৰদৰ্শন কৰি তৃতীয় স্থান স্থান লাভ পায়। এই ৰেংকিং প্ৰতিযোগিতাত সুজল নেওগে ১৩ বছৰ অনুৰ্দ্ধৰ কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হয়। আনহাতে, দৈনিক অনুশীলন কৰি থকা ভেটাৰ্ন খেলুৱৈসকলেও অসমৰ বাহিৰৰ আমন্ত্ৰণমূলক প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰি সুন্দৰ খেল প্ৰদৰ্শন কৰি নগাঁও জিলা তথা নগাঁও ক্ৰীড়া সংস্থালৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে, নগাঁও ক্ৰীড়া সংস্থাত দৈনিক অনুশীলন কৰি থকা সমূহ খেলুৱৈসকলৰ মাজত বিগত বৰ্ষৰ দৰে এই বৰ্ষটো প্ৰতি তিনি মাহৰ মুৰে মুৰে প্ৰতিভা সন্ধানী প্ৰতিযোগিতা আয়োজন কৰাৰ ব্যৱস্থা কৰা হৈছে। যাতে খেলুৱৈসকলে প্ৰতিযোগিতামূলক মনোবৃত্তিৰে আগন্তুক প্ৰতিযোগিতা সমূহত অংশগ্ৰহণ কৰি সফলতা অৰ্জন কৰিব পাৰে।

পৰিশেষত, প্ৰশিক্ষক শ্ৰীৰাজশেখৰ দাস আৰু শ্ৰীদেবজিত বৰাক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে মোক সকলো ক্ষেত্ৰতে কাৰ্য্যভাৰ চলাই নিওঁতে যিসকল ব্যক্তিয়ে নিঃস্বাৰ্থভাৱে সহায়-সহযোগিতা আগবঢ়ালে, তেখেত সকললৈ মই ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

নগাওঁ ক্ৰীড়া সংস্থা দীৰ্ঘজীৱী হওঁক।

**অনিল দাস**

**বেডমিন্টন শাখা সম্পাদক,**

**নগাওঁ ক্ৰীড়া সংস্থা,**

**নগাওঁ ঃঃ অসম।**